# ছয়দুৱাৰ কলেজত নৱাগত শিকাৰুৰ অধিষ্ঠিতকৰণ সন্মিলন

নিয়মীয়া বাৰ্তা, হেলেম, ৩ নৱেম্বৰঃ কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ ছয়দুৱাৰ মহাবিদ্যালয় অধ্যয়ন কেন্দ্ৰৰ চলিত বৰ্ষৰ নৱাগত শিকাৰুসকলৰ অধিষ্ঠিতকৰণ সন্মিলনখন ২৮ অক্টোবৰত অনুষ্ঠিত হয়। ডেৰ কুৰিৰো অধিক নৱাগত শিকাৰুৰ লগতে অধ্যয়ন কেন্দ্ৰটোৰ সমন্বয়ক তথা প্ৰাক্তন সমন্বয়কসকল উপস্থিত থকা সন্মিলনখন সঞ্চালনা কৰে ছয়দুৱাৰ মহাবিদ্যালয়ৰ অধ্যক্ষ তথা কেন্দ্ৰটোৰ পৰিচালক ড° অঞ্জন কুমাৰ ওজাই। নৱাগত শিকাৰুসকলৰ চিনাকি আৰু অধিষ্ঠিতকৰণ পৰ্বৰ পাছত সন্মিলনখনত গুৰুত্বপূৰ্ণ বক্তব্য আগবঢ়াই কেন্দ্ৰটোৰ পৰিচালক তথা তত্বাৱধায়ক ড° অঞ্জন কুমাৰ ওজাই অধ্যয়ন কেন্দ্ৰটোৰ সা-সুবিধাসমূহৰ লগতে অধ্যয়নৰ প্ৰক্ৰিয়া সন্দৰ্ভত বিস্তৃতভাৱে নৱাগত শিকাৰুসকলক অৱগত কৰে। নৱাগত শিকাৰুসকলৰ বাবে অতি গুৰুত্বপূৰ্ণ সন্মিলনখনত চমু বক্তব্য প্ৰদান কৰি কেন্দ্ৰটোৰ সমন্বয়ক ড° ৰাজু ওজাই ব্যস্ততাপূৰ্ণ জীৱন পৰিক্ৰমাৰ মাজতো শিক্ষা গ্ৰহণৰ ক্ষেত্ৰত আগুৱাই যোৱাৰ বাবে আগ্ৰহীসকলৰ বাবে কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ে সকলো ধৰণৰ সা-সুবিধা আগবঢ়াইছে বুলি উল্লেখ কৰি এই সুবিধাসমূহ নিষ্ঠা সহকাৰে গ্ৰহণ কৰিবৰ বাবে নৱাগত শিকাৰুসকলক আহ্বান জনায়। গাম্ভীৰ্যপূৰ্ণ সন্মিলনখনত কেন্দ্ৰটোৰ প্ৰাক্তন সমন্বয়ক তথা ছয়দুৱাৰ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক প্ৰদীপ দত্তয়ো কেন্দ্ৰটোৰ সা-সুবিধা তথা উপযোগিতাৰ বিভিন্ন দিশ সামৰি নীতি-দীৰ্ঘ বক্তব্য প্ৰদানেৰে নৱাগত শিকাৰুসকলক উৎসাহিত কৰে।